# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-07-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। ৰাজ্যৰ বান পৰিস্থিতি উন্নত হৈছে যদিও এতিয়াও বানৰ কৱলত ২৭ খন জিলাৰ ২২ লাখৰো অধিক লোক। বিগত ২৪ ঘণ্টাত ছজন লোকৰ মৃত্যু।

২। দুদিনীয়া ভ্ৰমণসূচীৰে মস্কোত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ২২ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ।

৩। ৰাজ্যত চলিত বছৰতে ২০৬ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি জলসম্পদ মন্ত্ৰীৰ ঘোষণা।

৪। কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লালৰ আজি গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ শক্তিমন্ত্ৰী তথা গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰীৰে বৈঠক।

আৰু

৫। মহিলা ক্ৰিকেটৰ তিনিখনীয়া টি-২০ শৃংখলাৰ অন্তিমখন খেলত আজি ভাৰত দক্ষিণ আফ্ৰিকাৰ মুখামুখি।

~~0000000~~

ৰাজ্যত এইপৰ্যন্ত বানত ৭২ গৰাকী লোকৰ মৃত্যু হৈছে। শেহতীয়া তথ্য অনুসৰি ২৭ খন জিলাৰ প্ৰায় ২২ লাখ লোক এতিয়াও বানৰ কবলত আছে। বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও ৰাজ্যৰ ৯১টা ৰাজহ চক্ৰৰ ৩ হাজাৰ এশখনৰো অধিক গাঁও প্লাৱিত হৈ আছে। বিশেষকৈ শিৱসাগৰ, কামৰূপ, ডিব্ৰুগড়, নলবাৰী আৰু বৰপেটা জিলাত এতিয়াও বান পৰিস্থিতি জটিল হৈ আছে। আনহাতে ৪৯ হাজাৰ হেক্টৰৰো অধিক কৃষিভূমি পানীয়ে বুৰাই পেলাইছে। বিভিন্ন জিলাত প্ৰশাসনে ২৪৫টা আশ্ৰয় শিবিৰ স্থাপন কৰিছে আৰু ইয়াত ৫৩ হাজাৰৰো অধিক লোক আশ্ৰয় লৈ আছে। বান বিধবস্ত অঞ্চলত এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ দলে সাহায্য আৰু উদ্ধাৰ অভিযান চলাই আছে। তথ্য অনুসৰি বানত ১৫ লাখৰো অধিক পোহনীয়া জীৱজন্তুৰ ক্ষতি হৈছে। শেহতীয়াকৈ ২৪ ঘণ্টাত ৰাজ্যত ৬ জন লোকে বানত প্ৰাণ হেৰুৱাইছে। লগতে এই সময়ছোৱাত ১৭২টা পথ আৰু ৬ খন দলং বাঢ়নী পানীত ক্ষতিগ্ৰস্ত হৈছে।

চৰকাৰে বান ক্ষতিগ্ৰস্ত জনতাক সহায়ৰ বাবে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে স্বাস্থ্য শিবিৰ মুকলি কৰিছে।

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ বিভাগৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি কৰিমগঞ্জ জিলাৰ বান পৰিস্থিতিৰ বুজ ল'ব। তেওঁ কৰিমগঞ্জ নগৰত স্থাপন কৰা দুটা সাহায্য শিবিৰ পৰিদৰ্শন কৰিব। ইয়াৰ পিছতে শ্ৰীমাৰ্ঘেৰিটাই জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত প্ৰশাসন আৰু বিভাগীয় মুৰববীসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব।

~~00000~~

দুদিনীয়া ভ্ৰমণসূচীৰে কালি মস্কোত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ২২ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ সৈতে অংশগ্ৰহণ কৰিব। সন্মিলনত দুয়োগৰাকী নেতাই দুয়োখন দেশৰ মাজৰ প্ৰতিৰক্ষা, বাণিজ্য, বিনিয়োগ, শক্তি সহযোগিতা, শিক্ষা, সংস্কৃতি, পৰ্যটন আৰু পৰস্পৰৰ মাজৰ বিনিময় আদি দ্বিপাক্ষিক বিষয়সমূহ সন্দৰ্ভত পৰ্যালোচনা চলাব। তেওঁলোকে পাৰস্পৰিক স্বাৰ্থজড়িত সাম্প্ৰতিক আঞ্চলিক আৰু গোলকীয় বিকাশক লৈও আলোচনা কৰিব।

তদুপৰি তেওঁলোকে ব্ৰিকছ, চাংহাই সহযোগিতা সংস্থা, জি-২০, পূব এছিয়া সন্মিলন আৰু ৰাষ্ট্ৰসংঘত দ্বিপাক্ষিক সম্পৰ্ক সন্দৰ্ভতো আলোকপাত কৰিব। কালি ৰাছিয়াত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক মস্কো

বিমানবন্দৰত সম্ভাষণ জনোৱা হয়। দেশখনৰ প্ৰথমজন উপ-প্ৰধানমন্ত্ৰী ডেনিছ্ মণ্টুৰোভে প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনায়।

শ্ৰীমোদীয়ে আজি ৰাছিয়াত ভাৰতীয় সমূদায়ৰ লোকসকলৰ সৈতে মত-বিনিময় কৰিব। তেওঁ লগতে ক্ৰেমলিনত পৰিচয় বিহীন সৈনিকসকলৰ সমাধিত মাল্যাৰ্পন কৰিব আৰু মস্কোত ৰোছাটন পেভিলিয়ন দৰ্শন কৰিব।

ভাৰত আৰু ৰাছিয়াৰ মাজত সহযোগিতাৰ ক্ষেত্ৰত এই সন্মিলন দুয়োখন দেশৰ বাবে অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। এই ভ্ৰমণ সামৰি শ্ৰীমোদী অষ্ট্ৰিয়ালৈ যাব। এয়া হ'ব বিগত ৪১ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম অষ্ট্ৰিয়া ভ্ৰমণ।

অষ্ট্ৰিয়া ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ভেন ডাৰ বেলেনক সাক্ষাৎ কৰাৰ লগতে ভিয়েনাত অষ্ট্ৰিয়াৰ চেঞ্চেলৰ কাৰ্ল নেহাম্মেৰৰ সৈতেও আলোচনাত মিলিত হ'ব। শ্ৰীমোদী আৰু অষ্ট্ৰিয়াৰ চেঞ্চেলৰগৰাকীয়ে দুয়োখন দেশৰ ঔদ্যোগিক নেতাসকলকো সম্বোধন কৰিব।

ooooo

ৰাজ্যত চলিত বছৰতে ২০৬ কিলোমিটাৰৰ নতুন মথাউৰি নিৰ্মাণ কৰা হ'ব। দিছপুৰত কালি অনুষ্ঠিত জলসম্পদ বিভাগৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত বিভাগীয় মন্ত্ৰী পীযুষ হাজৰিকাই এই সন্দৰ্ভত অনুমোদন পোৱা বুলি প্ৰকাশ কৰে। জলসম্পদ বিভাগৰ মুখ্য অভিযন্তাসকল উপস্থিত থকা এই বৈঠকত শেহতীয়াকৈ বানত ছিগা আৰু ক্ষতিগ্ৰস্ত মথাউৰিসমূহ খৰতকীয়াকৈ মেৰামতি কৰাৰ সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। এই বৈঠকত প্ৰতিটো সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাসকলেও টেলিফোনযোগে অংশগ্ৰহণ কৰে। মন্ত্ৰী হাজৰিকাই পানী শুকোৱাৰ লগে লগে ছিগা মথাউৰিসমূহৰ শীঘ্ৰে মেৰামতিৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি বানৰ পাছত হ'ব পৰা খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণৰ বাবেও সাজু থাকিবলৈ তেওঁ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। খহনীয়া প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় অনুসৰি পাৰ্কুপাইন, বালিৰ বেগ, জিঅ' বেগ আদি মজুত কৰি ৰখাটো মন্ত্ৰীগৰাকীয়ে মন্তব্য দিয়ে।

oooooooo

সাম্প্ৰতিক বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ অন্ন সেৱাৰ দিন অহা ১৫ জুলাইলৈ বৃদ্ধি কৰা হৈছে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰাজ্য চৰকাৰে প্ৰতিমাহে ১ৰ পৰা ১০ তাৰিখলৈ প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীসকলক বিনামূলীয়া চাউল প্ৰদান কৰি আহিছে। এই দিনকেইটাক অন্ন সেৱা দিন হিচাপে পালন কৰি অহা হৈছে। অন্ন সেৱাৰ বিশেষ দিন কেইটাত হিতাধিকাৰীয়ে সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়াকৈ চাউল সংগ্ৰহ কৰিব পাৰে। ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে হিতাধিকাৰীসকলক সুলভ মূল্যৰ দোকানৰ লাভ কৰা চাউলৰ বিপৰীতে E-POS মেচিন সৃষ্ট ৰচিদ সংগ্ৰহ কৰিবলৈ আহ্বান জনাইছে। কোনো হিতাধিকাৰীয়ে সঠিক পৰিমাণৰ চাউল নাপালে পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৬ বজালৈকে টোলফ্ৰি নম্বৰ- ১৮০০-৩৪৫-৩৬১১ত যোগাযোগ কৰিব পাৰিব।

oooooooo

দুদিনীয়া ভ্ৰমণসূচীৰে উত্তৰ-পূৰ্বাঞ্চললৈ অহা কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লালে আজি গুৱাহাটীত উত্তৰ-পূবৰ শক্তিমন্ত্ৰী তথা গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰীসকলৰ সৈতে বৈঠকত মিলিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দুয়োটা বিভাগৰ মন্ত্ৰীসকলৰ সৈতে দুখন সুকীয়া বৈঠকত মিলিত হ'ব। ইটানগৰৰ পৰা আহি কালি বিয়লি গুৱাহাটীত উপস্থিত হোৱা শ্ৰী লালে বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বিমান বন্দৰৰ পৰা পোনে পোনে পাণবজাৰৰ মহাবাহু ব্ৰহ্মপুত্ৰ নদী ঐতিহ্য কেন্দ্ৰলৈ আহি কেন্দ্ৰটোৰ লগতে ব্ৰহ্মপুত্ৰ নদীপাৰ প্ৰকল্প পৰিদৰ্শন কৰে। তেওঁ প্ৰকল্পৰ কাম-কাজৰ বাবে ৰাজ্য চৰকাৰক প্ৰশংসা কৰে। মন্ত্ৰীগৰাকীৰ কালিৰ কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহল, শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচা, সাংসদ বিজুলী কলিতা মেধিৰ উপৰি প্ৰশাসনীয় শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। আজি মন্ত্ৰীগৰাকীয়ে বৈঠকত মিলিত হোৱাৰ পাছত ঝাৰখণ্ডলৈ ৰাওনা হ'ব।

oooooooo

সাম্প্ৰতিক বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ অন্ন সেৱাৰ দিন অহা ১৫ জুলাইলৈ বৃদ্ধি কৰা হৈছে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৰাজ্য চৰকাৰে প্ৰতিমাহে ১ৰ পৰা ১০ তাৰিখলৈ প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীসকলক বিনামূলীয়া চাউল প্ৰদান কৰি আহিছে। এই দিনকেইটাক অন্ন সেৱা দিন হিচাপে

পালন কৰি অহা হৈছে। অন্ন সেৱাৰ বিশেষ দিন কেইটাত হিতাধিকাৰীয়ে সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়াকৈ চাউল সংগ্ৰহ কৰিব পাৰে। ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে হিতাধিকাৰীসকলক সুলভ মূল্যৰ দোকানৰ লাভ কৰা চাউলৰ বিপৰীতে E-POS মেচিন সৃষ্ট ৰচিদ সংগ্ৰহ কৰিবলৈ আহ্বান জনাইছে। কোনো হিতাধিকাৰীয়ে সঠিক পৰিমাণৰ চাউল নাপালে পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৬ বজালৈকে টোলফ্ৰি নম্বৰ- ১৮০০-৩৪৫-৩৬১১ত যোগাযোগ কৰিব পাৰিব।

০০০০০০০০০

ৰাজ্য চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মহাবিদ্যালয়, বিশ্ববিদ্যালয়লৈ বিনামূলীয়া নামভৰ্তিৰ ধন বিতৰণৰ প্ৰথম পৰ্যায়ৰ অনুষ্ঠান কাইলৈ অনুষ্ঠিত হ'ব। এই উপলক্ষে দিছপুৰৰ লোকসেৱা ভৱনত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱেও অংশগ্ৰহণ কৰিব। প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মুঠ ৩৪৯খন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ক ৬৮ কোটি ৪৪ লাখ টকা আদায় দিয়া হ'ব। এই আঁচনিৰ অধীনত ৯৪ হাজাৰ ৮৩৮ গৰাকী ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। এই আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ ধন ছেপ্তেম্বৰত আদায় দিয়া হ'ব।

০০০০০০০০০

বিৰোধী নেতা ৰাহুল গান্ধীয়ে কালি এদিনীয়া কাৰ্যসূচীৰে মণিপুৰ ভ্ৰমণ কৰে। তেওঁ ৰাজ্যখনৰ হিংসাত্মক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ক্ষতিগ্ৰস্ত হৈ বিভিন্ন শিবিৰত আশ্ৰয় লৈ থকা লোকসকলৰ সৈতে বাৰ্তালাপ কৰে।

ইম্ফলত কালি সন্ধিয়া সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কংগ্ৰেছ নেতাগৰাকীয়ে মণিপুৰৰ জনসাধাৰণক হিংসাৰ বাট পৰিহাৰ কৰি একেলগে শান্তিপূৰ্ণভাৱে জীয়াই থাকিবলৈ আহ্বান জনায়। মণিপুৰ ভ্ৰমণ ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত নহয় বুলি উল্লেখ কৰি শ্ৰী গান্ধীয়ে কয় যে, তেওঁ ক্ষতিগ্ৰস্ত লোকসকলৰ দুখৰ বুজ ল'বৰ বাবেহে ৰাজ্যখনলৈ গৈছে। তেওঁ লগতে ৰাজ্যখনত চলি থকা হিংসাত্মক পৰিস্থিতিৰ শান্তিপূৰ্ণ সমাধানৰ বাবেও প্ৰচেষ্টা চলাব বুলি উল্লেখ কৰে।

ভ্ৰমণকালত শ্ৰী গান্ধীয়ে ৰাজ্যপাল সুশ্ৰী অনুসুয়া উইকিকো সাক্ষাৎ কৰে আৰু ৰাজ্যখনৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। আলোচনাকালত মণিপুৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ বিধায়িনী দলৰ মুৰব্বী ইববি সিং, ৰাজ্যখনৰ কংগ্ৰেছ কমিটিৰ সভাপতি কে মেঘচন্দ্ৰ, কংগ্ৰেছৰ সাংসদবৰ্গ তথা ৰাজ্যখনৰ ৰাজ্যিক সুৰক্ষা উপদেষ্টা উপস্থিত থাকে।

০০০০০০০০০

ভাৰতীয় অলিম্পিক সংস্থা– আই অ' এয়ে গগন নাৰঙক ২৬ জুলাইৰ পৰা আৰম্ভ হ'বলগীয়া চলিত বৰ্ষৰ পেৰিছ অলিম্পিকত ভাগ ল'বলগীয়া ভাৰতীয় দলৰ ছেফ দ্যা মিছন হিচাপে ঘোষণা কৰিছে। চাৰিবাৰকৈ অলিম্পিকত অংশগ্ৰহণ কৰা তথা ২০১২ চনৰ অলিম্পিক ক্ৰীড়া সমাৰোহৰ পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফল শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰা গগন নাৰঙে এম চি মেৰিকমৰ ঠাইত এই দায়িত্ব গ্ৰহণ কৰিব।

আই অ' এৰ অধ্যক্ষ ড° পি টি উষাই কালি কয় যে মেৰিকমে পদত্যাগ কৰাৰ পাছত উপ-ছেফ দ্যা মিচন হিচাপে থকা শ্ৰী নাৰঙক এই দায়িত্ব অৰ্পণ কৰা হয়। ড° উষাই লগতে দুবাৰকৈ অলিম্পিকত পদক অৰ্জন কৰা একমাত্ৰ ভাৰতীয় মহিলা খেলুৱৈ পি ভি সিন্ধুৱে টেবল টেনিছ তাৰকা অশান্ত সৰথ কমলৰ সৈতে ভাৰতীয় দলৰ পতাকা বহন কৰিব বুলি ঘোষণা কৰে। ড° উষাই প্ৰতিযোগিতাত ভাৰতীয় খেলুৱৈসকলে দেশৰ বাবে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন উজাৰি দিবলৈ সম্পূৰ্ণৰূপে সাজু বুলি ব্যক্ত কৰে।

০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলটো আজি দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত অৱতীৰ্ণ হ'ব। খেলখন চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। শৃংখলাটোৰ প্ৰথমখন খেলত একেখন ষ্টেডিয়ামতে আলহী দলটোৱে ভাৰতক ১২ ৰানৰ ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে দ্বিতীয় খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হৈছিল।

০০০০০০

উইম্বলডন টেনিছ প্ৰতিযোগিতাত কালি পুৰুষৰ ছিংগলছৰ ত্ৰয়োদশ বাচনিপ্ৰাপ্ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ খেলুৱৈ টেইলৰ ফ্ৰীটজে চতুৰ্থ বাচনিপ্ৰাপ্ত জাৰ্মানীৰ আলেকজেণ্ডাৰ জেভেৰেভক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ খেলুৱৈ গৰাকীয়ে খেলখনত ৬-৪, ৭-৬, ৪-৬, ৬-৭, ৩-৬ ছেটত বিজয় সাব্যস্ত কৰে।

ইপিনে, পুৰুষৰ ছিংগলছত সাতবাৰৰ চেম্পিয়ন তথা দ্বিতীয় বাচনিপ্ৰাপ্ত চাৰ্বিয়াৰ নʼভাক জʼকʼভিছে পঞ্চদশ বাচনিপ্ৰাপ্ত ডেনমাৰ্কৰ হʼলগাৰ ৰুনেক ৬-৩, ৬-৪, ৬-২ ছেটত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। একেদৰে শীৰ্ষ বাচনিপ্ৰাপ্ত জেনিক ছিনাৰ তৃতীয় বাছনিপ্ৰাপ্ত কাৰ্লোচ এলকাৰাজ গাৰ্ভিয়া, পঞ্চম বাছনিপ্ৰাপ্ত ডেনিল মেডভেডেব আৰু দ্বাদশ বাছনিপ্ৰাপ্ত টমি পলেও পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

মহিলাৰ ছিংগলছত প্ৰাক্তন বিশ্ব চেম্পিয়ন তথা চতুৰ্থ বাছনিপ্ৰাপ্ত কাজাখস্তানৰ খেলুৱৈ এলেনা ৰায়বাকিনাই একেৰাহে তৃতীয়বাৰৰ বাবে উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। একেদৰে ইউক্ৰেইনৰ এলিনা শ্বিতলিনাই চীনৰ ৱান চীনয়ুক ৬-২, ৬-১ ছেটত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ফ্ৰেন্স অʼপেন টেনিছ প্ৰতিযোগিতাৰ ছেম্পিয়ন লাটভিয়াৰ জেলেনা অষ্টাপেনকʼৰেও প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰী-কোৱাৰ্টাৰ ফাইনেলত খেলুৱৈ গৰাকীয়ে কাজাখস্তানৰ য়ুলিনা পুটিণ্টছেভাক ৬-২, ৬-৩ ছেটত পৰাস্ত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে কালি মস্কোত উপস্থিত হোৱাৰ বাতৰিটো দৈনিক অসম, অসমীয়া প্ৰতিদিন, অসমীয়া খবৰ আদি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দি আছাম ট্ৰিবিউনৰ শিৰোনাম 'Modi in Moscow for talk with Putin'।

বানত খেতি নষ্ট হোৱাৰ ফলত বজাৰত শাক-পাচলিৰ দাম বৃদ্ধি হোৱাৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে 'মাত্ৰ এবছৰতে এসাঁজৰ দাম বাঢ়িল দহ শতাংশ' শিৰোনামেৰে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

চিকিৎসা পাঠ্যক্ৰমৰ নামভৰ্তিৰ বাবে অনুষ্ঠিত সৰ্বভাৰতীয় প্ৰৱেশিকা পৰীক্ষাত গুৰুতৰ কেলেংকাৰী আৰু প্ৰশ্নকাকত ফাদিলৰ গোচৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ নেতৃত্বাধীন বিচাৰপীঠে শুনানি গ্ৰহণ কৰি যথাসম্ভৱ শীঘ্ৰে এই গোচৰটোৰ মীমাংসাত উপনীত হোৱাৰ বাবে নিৰ্দেশ দিয়াৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতে 'প্ৰশ্নকাকত ফাদিল হৈছিলঃ ন্যায়ালয়' শিৰোনামেৰে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ সমীক্ষাত প্ৰকাশ পোৱা মতে ৰাজ্যত কৰ্মহীন লোকৰ সংখ্যা বৃদ্ধি হোৱাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে '৭ বছৰত অসমত কৰ্মহীন ৪ লাখ ৯৪ হাজাৰ' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – লক্ষীপুৰত মণিপুৰৰ শৰণাৰ্থীক সাক্ষাৎ ৰাহুল গান্ধীৰ, নিৰ্বাচন নোহোৱালৈকে মন্ত্ৰী-বিধায়কৰ তত্বাৱধানত চলিব পঞ্চায়তৰ কাম-কাজ, নলাত পৰি মৃত্যু হোৱা অবিনাশৰ নুনমাটিৰ ঘৰত মুখ্যমন্ত্ৰী ইত্যাদি। এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

**সমাপ্ত**